# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-12-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে পৰহিলৈ অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। চাৰিগৰাকী বিধায়কে শনিবাৰে দিনৰ ১২ বজাত মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম এক্সযোগে এই কথা প্ৰকাশ কৰিছে। এই নতুন মন্ত্ৰীসকল হ'ব ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰীয়ে তেওঁৰ বাৰ্তাটোত মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত হ'বলগীয়া বিধায়ককেইগৰাকীক আগতীয়া শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

অসম লোকসেৱা আয়োগে আজি সংযুক্ত প্ৰতিযোগীতামূলক পৰীক্ষা-২০২৩ৰ ফলাফল ঘোষণা কৰে। আয়োগে অসামৰিক সেৱা, অসম আৰক্ষী সেৱা আৰু সংলগ্ন সেৱাৰ মুঠ ২৩৫ গৰাকী প্ৰাৰ্থী নিযুক্তিত অনুমোদন দিছে। চিৰঞ্জীৱ ফুকনে ৮৭২ নম্বৰেৰে প্ৰথম স্থান লাভ কৰে। এনিশা বুঢ়াগোহাঁইয়ে ৮২৩ নম্বৰ লাভ কৰি মহিলা প্ৰাৰ্থীৰ ভিতৰত প্ৰথম স্থান দখল কৰে। হিমাদ্ৰি জিতা বৰাই তৃতীয় স্থান আৰু মৃগাক্ষী বৰুৱাই চতুৰ্থ স্থান লাভ কৰে। পঞ্চম স্থান দখল কৰে টুটুমণি কাকতিয়ে। প্ৰথম দহৰ ভিতৰত থকা আন স্থানপ্ৰাপক সকলৰ ভিতৰত আছে মৃদুস্মিতা ৰয়, মেৰী কলিতা, দীক্ষা সৰকাৰ, নিলম গাৰ্গ আৰু অংকিতা ছেত্ৰী। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে এই পৰীক্ষাত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে পদ সংৰক্ষণ কৰা হৈছে। মুঠ ২৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত অসামৰিক সেৱাৰ ৪৫ জন, অসম আৰক্ষী সেৱাৰ ৩৫ জন, অসম লেখ সেৱাৰ ১০৭ জন, হিচাপ পৰিক্ষণৰ ১১ জন, কৰ অধীক্ষকৰ এজন, আবকাৰী অধীক্ষকৰ এজন, অসম বিত্ত সেৱাৰ ১৩ জন, খণ্ড উন্নয়ন বিষয়াৰ ৬ জন, সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ ৪ জন, কৰ পৰিদৰ্শকৰ ৪ জন, শ্ৰম পৰিদৰ্শকৰ ৪, সহকাৰী নিয়োগ বিষয়াৰ এজন আৰু উপ-পঞ্জীয়কৰ ৩ জন প্ৰাৰ্থীক নিযুক্তিৰ বাবে আয়োগে আজি অনুমোদন দিছে।

নিযুক্তিৰ বাবে আয়োগে অনুমোদন দিয়া ২৩৫ গৰাকীৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ ৩৭, নগাঁও জিলাৰ ১৯, কামৰূপ জিলাৰ ১৮, ডিব্ৰুগড় জিলাৰ ১৩ আৰু লখিমপুৰ জিলাৰ ১২ গৰাকী প্ৰাৰ্থী আছে। বৰপেটা, তিনিচুকীয়া আৰু যোৰহাট জিলাৰ ১১ গৰাকীকৈ আৰু বিশ্বনাথ, শিৱসাগৰ আৰু শোণিতপুৰ জিলাৰ ৮ গৰাকীকৈ প্ৰাৰ্থী আছে। ৭ গৰাকীকৈ প্ৰাৰ্থী ধেমাজি, ডিমা হাচাও, গোলাঘাট, নলবাৰী আৰু ওদালগুৰি জিলাৰ। চৰাইদেউ আৰু কাছাৰ জিলাৰ ৬ গৰাকীকৈ আৰু দৰং আৰু বাক্সা জিলাৰ ৫ গৰাকীকৈ প্ৰাৰ্থীৰ নিযুক্তিত আয়োগে অনুমোদন দিছে। ৩ গৰাকীকৈ প্ৰাৰ্থী কোকৰাঝাৰ, গোৱালপাৰা, হোজাই আৰু পশ্চিম কাৰ্বি আংলঙৰ। বঙাইগাঁও, চিৰাং, কাৰ্বি আংলং আৰু মৰিগাঁও জিলাৰ দুগৰাকীকৈ আৰু বজালী আৰু শ্ৰীভূমি জিলাৰ এগৰাকীকৈ প্ৰাৰ্থীৰ নিযুক্তিত আয়োগে অনুমোদন দিছে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি নগাঁৱত উপস্থিত হোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আজি বঢ়মপুৰ অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হয়। বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে প্ৰাৰ্থনাৰে ৰাজ্যপালগৰাকীক আদৰণি জনোৱাৰ পাছত মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই শিক্ষাৰ্থীসকলৰ মাজত স্মাৰ্টফোন আৰু ইলেকট্ৰনিক লাখুটি বিতৰণ কৰে।

উল্লেখযোগ্য যে আজি পুৱাৰ ভাগত ৰাজ্যপালগৰাকী মহামৃত্যুঞ্জয় মন্দিৰত উপস্থিত হৈ পূজা-অৰ্চনাত ভাগ লয়। বিধায়ক জিতু গোস্বামী আৰু জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে শ্ৰীআচাৰ্যক সংগ দিয়ে।

০০০০০০

সৰুপথাৰত কাইলৈৰ পৰা ৯ ডিচেম্বৰলৈ নেপালী সাহিত্য সভাৰ ষোড়শ ত্ৰিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ কেইবাগৰাকীও সাহিত্যিকে অংশগ্ৰহণ কৰিব। ৯ ডিচেম্বৰত সভাৰ মুকলি অধিৱেশনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অধিৱেশনত উপস্থিত থকাৰ কথা।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা ইউৰোপীয় মহাকাশ সংস্থাৰ **প্ৰোবা থ্ৰী** কৃত্ৰিম উপগ্ৰহ কঢ়িয়াই নিয়া PSLV-C59 যানখনৰ সফল উৎক্ষেপন সম্পন্ন কৰে। উৎক্ষেপন যানখনে বিয়লি ৪ বাজি ৪ মিনিটত মহাকাশলৈ উৰা মাৰে। ইছৰোৱে উৎক্ষেপনৰ পাছত সামাজিক মাধ্যম এক্সযোগে কয়, যে PSLV-C59 যানখনে ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা-থ্ৰী শ্ৰেণীৰ এলানি কৃত্ৰিম উপগ্ৰহ নিৰ্ধাৰিত কক্ষপথত স্থাপন কৰাৰ লক্ষ্যৰে উৰা মাৰিছে। প্ৰোবা-থ্ৰী ইউৰোপীয় মহাকাশ সংস্থাৰ এটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী আৰু ইয়াৰ অধীনত দুটা উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০

নতুন দিল্লীৰ প্ৰগতি ময়দানৰ ভাৰত মণ্ডপমত কাইলৈৰ পৰা তিনি-দিনয়াকৈ অষ্টলক্ষ্মী মহোৎসৱ অনুষ্ঠিত হ'ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়, উত্তৰ পূব হস্তশিল্প আৰু হস্ততাঁত উন্নযন নিগম লিমিটেড আৰু ইনভেষ্ট ইণ্ডিয়াই প্ৰথম বাৰৰ বাবে আয়োজন কৰা এই মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ শিল্প কলা, চহকী বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মী ৰূপে পৰিচিত উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যই দেশৰ সামাজিক, সংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱৰ সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত অঞ্চলটোৰ অপাৰ সম্ভাৱনা আৰু জীৱন্ত সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ অংশ হিচাপে অসমৰ প্ৰিয়ংকা ডি পাটোৱাৰী, অৰুণাচল প্ৰদেশৰ জেঞ্জুম গড়ি, মেঘালয়ৰ ডেনিয়েল চিয়েম, মণিপুৰৰ ৰিছানা খুনমান্থেমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ভালেকেইগৰাকী আগশাৰীৰ ডিজাইনাৰৰ ফেশ্বন শ্ব'ৰো দিহা কৰা হৈছে।

০০০০০

নগাঁৱৰ শোলমাৰীত আজি নিচেই পুৱা বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। লোকজনৰ পৰিচয় বৰ্তমানেও জানিব পৰা হোৱা নাই। নগাঁৱৰ বিভিন্ন প্ৰান্তত প্ৰায় এটা পযেক ধৰি বনৰীয়া হাতীৰ বৃহৎ জাকে উপদ্ৰৱ চলাই আহিছে বুলি জানিব পৰা গৈছে।

০০০০০

সমাপ্ত